**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

০০০০০০০ৰাজ্যজুৰি পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হোৱাৰ সময়তে গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়তৰ সমষ্টি পুনঃনিৰ্ধাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত বাহাল ৰাখিছে। পঞ্চায়তৰ সমষ্টি পুনঃনিৰ্ধাৰণকলৈ দাখিল কৰা সকলো গোচৰ কালি ন্যায়াধীশ মণিষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে খাৰিজ কৰে। ন্যায়ালয়ে উল্লেখ কৰে যে দেশৰ নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰে গাঁও অন্তৰ্ভুক্ত বা কৰ্তন কৰি গাঁও পঞ্চায়তসমূহ গঠন কৰিব পাৰে। পঞ্চায়তৰ সমষ্টি পুনঃনিৰ্ধাৰণ প্ৰক্ৰিয়াৰ জৰিয়তে গোচৰীয়া পক্ষৰ কোনো অধিকাৰ খৰ্ব হোৱা নাই বুলি মন্তব্য কৰি ন্যায়ালয়ে এই সম্পৰ্কীয় সকলো আবেদন খাৰিজ কৰে। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্দ্ধাৰণত বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি ভালেসংখ্যক লোকে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ পূৰ্বে ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল। কিন্তু ইয়াৰ মাজতে ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ এখন আবেদনৰ ভিত্তিত গোচৰ থকা অঞ্চলসমূহক বাদ দি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে। সেই অনুসৰি অহা ২ আৰু ৭ মে'ত ৰাজ্যত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত কালি সন্ধিয়া ভাৰতত থকা নৰৱেৰ ৰাষ্ট্ৰদূতক সাক্ষাৎ কৰি অসমৰ প্ৰকৃতি সংস্কৃতি ঐতিহ্যৰ প্ৰতি তেওঁৰ গভীৰ আগ্ৰহক প্ৰশংসা কৰে। ৰাষ্ট্ৰদূতগৰাকীৰ সৈতে হোৱা বৈঠকত জৈৱ শোধনাগাৰ, সেউজ এম'নিয়া আৰু বহনক্ষম বিমান ইন্ধনৰ দৰে পাৰস্পৰিক স্বাৰ্থৰ ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে অসমৰ সেউজ শক্তি প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰি প্ৰাসংগিক খণ্ডত নৰৱেৰ কোম্পানীসমূহৰ সৈতে সহযোগিতা কৰিবলৈ আগ্ৰহ প্ৰকাশৰ কথা ব্যক্ত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ ইউনেস্ক'ৰ স্বীকৃতিপ্ৰাপ্ত তিনিটা বিশ্ব ঐতিহ্যক্ষেত্ৰৰ বিষয়েও অৱগত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ বাবে আগ্ৰহী হোৱাত ৰাষ্ট্ৰদূতগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ সহযোগত আৰু ইণ্ডিয়ান ৰোডছ্ কংগ্ৰেছৰ উদ্যোগত আজিৰেপৰা গুৱাহাটীৰ ৰেডিচন ব্লু হোটেলত এখন ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। দুদিনীয়াকৈ আয়োজিত এই আলোচনা চক্ৰত আই আই টিৰ বিশিষ্ট অধ্যাপক, বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰযুক্তিবিদসকলৰ লগতে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়, ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড তথা ৰাজ্যসমূহৰ লোকনিৰ্মাণ বিভাগৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই আলোচনা চক্ৰত সেতু নিৰ্মাণৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা উন্নত পদ্ধতি, আধুনিক প্ৰযুক্তি বিদ্যা তথা কৌশলৰ প্ৰয়োগ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হ'ব।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহ আজি অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়ৰ খেলপথাৰৰ সমাৰ্তন হ'লত বিয়লি ৩ বজাত আয়োজিত এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সভাপতিত্ব কৰি যোৱা বছৰকেইটাত বিশ্ববিদ্যালয়খনৰ পৰা পি এইচ ডি, এম ফিল, স্নাতকোত্তৰ আৰু স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক ডিগ্ৰী প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই অনুষ্ঠানত সন্মানিত অতিথি আৰু বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আজিৰ এই দীক্ষান্ত সমাৰোহত উত্তৰ-পূৰ্বাঞ্চলৰ সবাতোকৈ পুৰণি এই বিশ্ববিদ্যালয়খনে তিনিগৰাকী কৃতবিদ্য ব্যক্তিক সন্মানীয় ডিগ্ৰী প্ৰদান কৰিব।

উল্লেখযোগ্য যে পূৰ্বৰ কাৰ্যসূচী অনুসৰি বিশ্ববিদ্যালয়খনৰ এইবাৰৰ দীক্ষান্ত সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ কথা আছিল যদিও পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতিৰ এই কাৰ্যসূচী বাতিল কৰা হয়।

০০০০০০

মণিপুৰৰ এগৰাকী উগ্ৰপন্থী পুনৰ গ্ৰেপ্তাৰ হয়। বশিষ্ঠ থানাৰ আৰক্ষীয়ে অলপতে পল্টন বজাৰত মণিপুৰৰ পি এল এৰ নেতা এগৰাকীক গ্ৰেপ্তাৰ কৰাৰ পাছত মহানগৰ আৰক্ষীয়ে মণিপুৰৰ কে ৱাই কে এলৰ বিত্ত সম্পাদক তথা প্ৰিপ্ৰাকৰ নেতা কংব্ৰেই লালপাম বিষাৰূপক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে নেতাজন কিছুদিন ধৰি গুৱাহাটীত আত্মগোপন কৰি আছিল। উগ্ৰপন্থীজনক মণিপুৰ আৰক্ষীয়ে মহানগৰ আৰক্ষীৰ পৰা জিম্মাত লৈছে।

০০০০০০০

আজি বিশ্ব মেলেৰীয়া দিৱস। দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত ঠায়ে ঠায়ে মেলেৰীয়া ৰোগৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হৈছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে-**আমি মেলেৰীয়া নিৰ্মূল কৰিব পাৰো-পুনৰ সঠিক পৰিকল্পনা আৰু সক্ৰিয়তাৰে মেলেৰীয়া নিৰ্মূলৰ হকে যুঁজ দিও আঁহক।**

০০০০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই কাইলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আছে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আহে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৭ এপ্ৰিল, দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। কালি নিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ১১ ৰানত পৰাস্ত কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰণ কৰি দিয়া ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৯৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে সৰ্বাধিক ৪৯ আৰু ধ্ৰুৱ জুৰেলে ৪৭ ৰান কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ য'শ হেজেলউডে ৪টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে ৭০ ৰানৰ অনবদ্য বৰঙণি আগবঢ়ায়। দেৱদূত্ত পাড়িকলে ৫০ ৰান কৰে। ৰাজস্থান ৰয়েলছৰ হৈ সনদ্বীপ শৰ্মাই দুটা উইকেট দখল কৰে। য'শ হেজেলউডক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়। ০০০০০০০